# ভৰত চৰাই আৰু তাইৰ পোৱালিবিলাক

## অসমীয়া

### TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। ভৰত চৰায়ে ক’ত বাহ সাজিছিল ?**

**উত্তৰঃ** গমৰ খেতিৰ মাজত বাহ সাজিছিল ।

**প্ৰশ্ন ২। ভৰত চৰাইজনীয়ে বাহত পোৱালি বিলাকক এৰি থৈ সদায় দূৰলৈ গুচি যায় কিয় ?**

**উত্তৰঃ** আহাৰ বিচাৰি যায় ।

**প্ৰশ্ন ৩। চৰাইজনী বাহ এৰি উৰি যোৱাৰ পিছত খেতি চাবলৈ অহা মানুহ দুজন কোন আছিল ?**

**উত্তৰঃ** সেই খেতি পথাৰৰ গৰাকী-বাপেক আৰু পুতেক ।

**প্ৰশ্ন ৪। সন্ধিয়া ভৰত চৰাইজনী বাহলৈ উলটি অহাৰ সময়ত পোৱালিবিলাকে কি কৈছিল ?**

**উত্তৰঃ** পোৱালিবিলাকে মাকক কৈছিল যে সেইদিনা পথাৰলৈ দুজন মানুহ আহিছিল । সিহঁতে পিছদিনাখন গাঁৱৰ মানুহ গোটাই আনি গমবোৰ চপাই নিয়াৰ কথা আলোচনা কৰিছে । যদি গমবোৰ সঁচাকৈয়ে চপাব আহে তেতিয়া সিহঁতৰ কি দশা হ’ব ?

**প্ৰশ্ন ৫। দ্বিতীয় দিনা খেতি চপাবলৈ গাঁৱৰ মানুহ আহিছিলনে ?**

**উত্তৰঃ** অহা নাছিল ।

**প্ৰশ্ন ৬। দ্বিতীয় দিনা পোৱালিবিলাকৰ মনৰ সংশয় দূৰ কৰিবলৈ ভৰত চৰাইজনীয়ে পোৱালিবিলাকক কি কৈছিল ?**

**উত্তৰঃ** ভৰত চৰাইজনীয়ে পা◌েৰালিবিলাকক মনৰ সংশয় দূৰ কৰিবলৈ কৈছিল যে সিহঁতে একো ভয় কৰিব নালাগে । কাৰণ তেতিয়ালৈকে সিহঁত সকলো নিৰাপদ । গতিকে ভৰত চৰাইজনীয়ে পা◌েৰালিবিলাকক নিশ্চিন্তমনে শুই থাকিবলৈ কৈছিল ।

**প্ৰশ্ন ৭। ভৰত চৰাইজনীয়ে প্ৰথমদিনা আৰু দ্বিতীয় দিনা পা◌েৰালিকেইটাক কিয় নিশ্চিন্তমনে শুই থাকিব কৈছিল ?**

**উত্তৰঃ** প্ৰথম আৰু দ্বিতীয় দিনা বাপেক আৰু পুতেকে গাঁৱৰ মানুহ গা◌েটাই আনি গমবা◌েৰ চপা◌েৰাৰ কথা আলা◌েচনা কৰিছিল । পৰত আশ বনত বাস বুলি এষাৰ কথা আছে । আনৰ ওপৰত নিৰ্ভৰ কৰিলে কোনা◌ে কাম সময়মতে কৰা নহয়গৈ। ভৰত চৰাইজনীয়ে জানিছিল যে , প্ৰথম দিনা আৰু দ্বিতীয় দিনা বাপেক পুতেক হালে যিহেতু গাঁৱৰ মানুহৰ সহায়ত গমবা◌েৰ চপোৱাৰ কথা আলা◌েচনা কৰিছে , গতিকে গম চপা◌েৱা কামটো কেতিয়াও তেওঁলা◌েকে ভবা ধৰণে নহয়গৈ। গমবা◌েৰ নচপা◌েৱালৈকে সিহঁতৰা◌ে কোনা◌ে বিপদৰ সম্ভাৱনা নাই । সেয়েহে প্ৰথম দুদিনত ভৰত চৰাইজনীয়ে পা◌েৰালিকেইটাক নিশ্চিন্তমনে শুই থাকিবলৈ কৈছিল ।

**প্ৰশ্ন ৮। গম চপাবলৈ কোনা◌ে গঞা নহাত শেষত বাপেক – পুতেকে কি কৰিছিল ?**

**উত্তৰঃ** গম চপাবলৈ কোনা◌ে গঞা নহাত অৱশেষত বাপেক – পুতেক দুয়া◌েজনে লগ হৈ গমবা◌েৰ চপা◌েৰাৰ সিদ্ধান্ত লৈছিল ।

**প্ৰশ্ন ৯। “ আজি নিশাৰ ভিতৰতে আমি এই খেতি এৰি যাব লাগিব ” — কথাষাৰ কোনে , কাক , কিয় কৈছিল ?**

**উত্তৰঃ** কথাষাৰ ভৰত চৰাইজনীয়ে তাইৰ পা◌েৰালি বিলাকক কৈছিল । পা◌েৰালিবিলাকে সেইদিনাখন নিশা ভৰত চৰাইজনীক জনাইছিল যে পিছদিনা বাপেক পুতেক দুয়া◌েজনে নিজেই গম চপাব আহিব । কথাষাৰ চৰাইজনীয়ে বুজি পাইছিল যে বাপেক – পুতেকে নিজহৈ যেতিয়া গম চপা◌েৰাৰ সিদ্ধান্ত লৈছে গতিকে , পিছদিনা তেওঁলা◌েকে যে গম চপাবলৈ আহিব সেইটো নিশ্চিত । সেয়েহে , আগন্তুক বিপদৰ পৰা হাত সাৰিবলৈ সেইটো নিশাৰ ভিতৰতে খেতি পথাৰ এৰি যাব লাগিব বুলি ভৰত চৰাই জনীয়ে পা◌েৰালিবিলাকক কৈছিল ।

**প্ৰশ্ন ১০। নিশাৰ ভিতৰতে খেতি এৰি যাব লগাৰ কাৰণ সা◌েধাত ভৰত চৰাইজনীয়ে পা◌েৱালিবিলাকক কি উত্তৰ দিছিল ?**

**উত্তৰঃ** ভৰত চৰাইজনীয়ে পা েৱালিবিলাকক এইবুলি উত্তৰ দিছিল— “ ইমানদিনে মানুহ দুটাই লা েকৰ মুখলৈ চাই আছিল । এইবাৰ হ’লে নিজেই কৰিম বুলি লাগিছে। সেইবাবে কাইলৈ যে কাম আৰম্ভ হ’ব তাত আৰু সন্দেহ নাই । ”

**প্ৰশ্ন ১১। ভৰত চৰাইৰ দৰে তুমি দেখিবলৈ পা েৱা তিনিবিধ আন চৰাইৰ নাম উল্লেখ কৰা ।**

**উত্তৰঃ** কপৌ , টোকোৰা চৰাই আৰু পঘুমা ।

**প্ৰশ্ন ১২। ভৰত চৰাইৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** ভৰত চৰাই ঘনচিৰিকাতকৈ অলপ ডাঙৰ । পৃথিৱীত প্ৰায় সকলা ে দেশতে এই চৰাইবিধ , পা েৱা যায় । ইয়াৰ গাৰ বৰণ মটীয়া । ফিছা আৰু বুকুৰ ফালত মাজে মাজে অলপ বগা ৰঙা বৰণ থকা দেখা যায় । ইয়াৰ দৈৰ্ঘ্য প্ৰায় ১৮ চেণ্টিমিটাৰ। ই সাধাৰণতে শস্য পথাৰত বাহ সাজে । শস্যৰ বীজ আৰু সৰু পা েক – পৰুৱা ইয়াৰ প্ৰধান খাদ্য । এই চৰাইবিধে এবাৰত তিনি – চাৰিটাকৈ কণী দিয়ে । ই তীব্ৰ বেগত বহু ওপৰলৈ উৰিব পাৰে ।

**প্ৰশ্ন ১৩। ভাব বহলাই লিখা –**

আপা েন হাত , জগন্নাথ

পৰত আল , বনত বাস ।

**উত্তৰঃ** মানুহে সদায় স্বাৱলম্বী হৈ চলিব লাগে । যি মানুহে নিজে নিজৰ কাম কৰি ল’ব পাৰে , সেই মানুহে কোনা েদিন বিপদত নপৰে । স্বাৱলম্বী মানুহে নিজে নিজৰ কাম কৰা বাবে কামবা েৰ সময়মতে হৈ উঠাৰ লগতে পৰিপাটীত হয় । আনৰ কাম যিমানে গুৰুত্বপূৰ্ণ নহওঁক কিয় , নিজৰ কাম নকৰাকৈ কোনেও সেই কাম কৰিবলৈ নাযায় । আনৰ সুখলৈ চাই আশা পালি থকা জনে সদায় ঠগ খায় । আনৰ ওপৰত আশা কৰা মানে বনত বাস কৰা লেখীয়া কথা । বনত বাস কৰা মানুহ অকলশৰীয়া । মহা বিপদতা ে তেওঁ সতকাই লা েকৰ সহায় নাপায় । কাৰা েবাৰ সহায়ৰ আশাত থাকোতে তেওঁৰ বিপদ , বাঢ়িহে যায় । সেয়েহে বিজ্ঞলা েকে আপা েন হাত , জগন্নাথ ; পৰত আল , বনত বাস বুলি কয় ।

**প্ৰশ্ন ১৪। এটা শব্দত প্ৰকাশ কৰা –**

( ক ) কৃষিকৰ্ম কৰা লোক ————।

**উত্তৰঃ** কৃষক ।

( খ ) পৰৰ মুখলৈ যি বাট চায় ——————।

**উত্তৰঃ** পৰমুখাপেক্ষী ।

(  গ ) ভাদ মাহত জন্ম হৈছে যাৰ ——————।

**উত্তৰঃ** ভদীয়া ।

( ঘ ) গাঁৱত বাস কৰা লাে ক ——————।

**উত্তৰঃ** গাঁৱলীয়া ।

**প্ৰশ্ন ১৫। প্ৰত্যয় কাক বাে লে , উদাহৰণসহ লিখা ।**

**উত্তৰঃ** ধাতু বা প্ৰতিপাদিকৰ পাছত যি শব্দ বা শব্দাংশ যাে গ কৰা হয় তাকে প্ৰত্যয় বাে লে । যেনে— গাওঁ + অলীয়া = গাঁওলীয়া ।

**প্ৰশ্ন ১৬। প্ৰত্যয় ভাঙি দেখুৱা –**

গঞা, ভদীয়া , কাতীয়া , শনীয়া , আঘাে ণা , পেটুৱা , ঢুলীয়া ।

**উত্তৰঃ** গঞা = গাঁৱ + ঈয়া ।

ভদীয়া = ভাদ + ঈয়া ।

কাতীয়া = কাতি + ঈয়া ।

শনীয়া = শনি + ঈয়া ।

আঘাে ণা = আঘাে ণ + আ ।

পেটুৱা = পেট + উৱা ।

ঢুলীয়া = ঢােল + ঈয়া ।